### পৰিদৰ্শন আৰু পৰ্যবেক্ষণৰ পাৰ্থক্য (Difference between Inspection and Supervision)

পৰিদৰ্শন আৰু পৰ্যবেক্ষণ হৈছে এক আঁচনিযুক্ত পৰিকল্পনা যাৰ সহায়ত শিক্ষানুষ্ঠান সমূহৰ উন্নতি আৰু বিকাশত সহায় কৰিব পৰা যায়। অতীতৰ শিক্ষা ব্যৱস্থা গণতান্ত্ৰিক নাছিল। গুৰুৱে যি কৈছিল সেয়াই সৰ্বস্ব বুলি ধৰি লৈ আগবাঢ়ি গৈছিল। কিন্তু আধুনিক শিক্ষা ব্যৱস্থা হৈছে গণতান্ত্ৰিক। এইক্ষেত্ৰত শিক্ষা ব্যৱস্থাৰ ফলপ্ৰসূতা নিৰ্ভৰ কৰে উপযুক্ত পৰ্যবেক্ষণৰ ওপৰত। আগৰ শিক্ষা ব্যৱস্থা সাৰ্বজনীন নাছিল, সেয়েহে কোনেও শিক্ষা ব্যৱস্থাত কোনো ধৰণৰ হস্তক্ষেপ কৰা নাছিল বা নকৰিছিল। সেয়েহে তেতিয়া পৰিদৰ্শনৰ কোনো ব্যৱস্থাই নাছিল।

বৰ্তমান বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ আবিষ্কাৰৰ লগে লগে জ্ঞানৰ প্ৰসাৰ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট বৃদ্ধি পাইছে। শিক্ষাৰ লগত জড়িত নতুন নতুন আঁচনি, বিভিন্ন বৈজ্ঞানিক পদ্ধতি, কৌশল, নিৰ্দ্দিষ্ট নীতি নিয়ম আদি পৰিকল্পনা কৰি সেইবোৰৰ দায়িত্বৰ নিৰ্দ্দিষ্ট এক কৰ্তৃপক্ষৰ হাতত অৰ্পণ কৰা হয় আৰু সেই দায়িত্বৰ চোৱা চিতা কৰা বাবে বা মূল্যায়ণ কৰাৰ বাবে চৰকাৰে পৰ্যবেক্ষকসকলক নিয়োগ কৰে। ১৯৬৪-৬৬ চনৰ শিক্ষা আয়োগৰ মতে শিক্ষানুষ্ঠান সমূহৰ উন্নতি আৰু নিয়মানুবৰ্তিতা অটুট ৰখাৰ কাৰণে পৰ্যবেক্ষণ আৰু পৰিদৰ্শন বহল অৰ্থত ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব দিছিল। সেয়েহে বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ বহু শতাংশ ভাৰ চৰকাৰে বহন কৰা দেখা যায়।

চমুকৈ, পৰিদৰ্শন (Inspection) মানে শিক্ষক সকলৰ কাম কাজবোৰ পৰিদৰ্শন কৰা আৰু ভুল কৰাসকলক শাস্তি প্ৰদানৰ ব্যৱস্থা কৰা। অতীতৰ পৰিদৰ্শন বা তত্ত্বাৱধানৰ প্ৰকৃতি আছিল কৰ্তৃত্বমূলক। ফলপ্ৰসূ শিক্ষাদান পদ্ধতি প্ৰয়োগৰ ক্ষেত্ৰত শিক্ষকসকলে ল'ব পৰা স্বাধীনচিন্তীয়া আৰু বৌদ্ধিক প্ৰচেষ্টাবোৰক মৰ্যদা দিয়া হোৱা নাছিল। ফলত, তত্ত্বাৱধায়কসকলৰ প্ৰতি শিক্ষক কৰ্মচাৰীৰ মনত এক প্ৰকাৰৰ ভয় আৰু অবিশ্বাসৰ ভাৱ গঢ় লৈ উঠিছিল।

ওপৰোক্ত ধাৰণাসমূহৰ আলমতে, এডউইন. এইচ. ৰিডাৰ (Edwin. H. Reeder) এ কৈছিল "There are definite and acepted best methods of teaching in which they supervise for beacuse of his superior knwoledge can direct the teachers." অৰ্থাৎ শিক্ষাদানৰ কিছুমান নিৰ্দ্দিষ্ট গ্ৰহণযোগ্য আৰু ফলপ্ৰসূ পদ্ধতি আছে যিবোৰ তত্ত্বাৱধায়কসকলৰ নখদৰ্পণত আৰু সেইবাবেই তেওঁলোকে শিক্ষকসকলক নিৰ্দেশনা দিব পাৰে।

পুৰণি দৃষ্টিভংগীৰ সম্পূৰ্ণ পৃথক হিচাপে বৰ্তমানৰ পৰ্যবেক্ষণৰ মূল উদ্দেশ্য হৈছে সমগ্ৰ শিক্ষণ কাৰ্যৰ উন্নয়ন কৰা। ইয়াত সহযোগিতাৰ মনোভাৱেৰে পৰ্যবেক্ষকে শিক্ষকসকলৰ শিক্ষাদান কাৰ্যৰ পৰ্যবেক্ষণ আৰু মূল্যায়ণৰ লগতে সফল শিক্ষাদান আৰু গ্ৰহণ নতুন কৌশল সমূহৰ ব্যৱহাৰতো যথেষ্ট উদ্দীপনা যোগায়। তলত পৰিদৰ্শন আৰু পৰ্যবেক্ষণৰ পাৰ্থক্যসমূহ উল্লেখ কৰা হ'ল—

Scanned with CamScanner

| পৰিদৰ্শন (Inspection) | পৰ্যবেক্ষণ (Supervision) |
| --- | --- |
| ১। পৰিদৰ্শনৰ পৰিসৰ বিদ্যালয়ৰ চৌদিশৰ মাজতে আৱদ্ধ। | ১। পৰ্যবেক্ষণৰ পৰিধি ব্যাপক। শিক্ষানুষ্ঠানৰ সমূহ শিক্ষামূলক কাৰ্যসামাজিক বহিঃ কাৰ্যাৱলী পৰ্যবেক্ষণে সাঙুৰি লয়। |
| ২। পৰিদৰ্শনৰ প্ৰকৃতি হৈছে কৰ্তৃত্বমূলক। | ২। পৰ্যবেক্ষণৰ প্ৰকৃতি হ'ল সহযোগিতামূলক। |
| ৩। পৰিদৰ্শনে শিক্ষাদান কাৰ্যক আমনিদায়ক, বৈচিত্ৰহীন ব্যৱস্থাত পৰিণত কৰে। | ৩। পৰ্যবেক্ষণে শিক্ষাদান কাৰ্যকি গতিশীল, নমনীয় আৰু সৃষ্টিশীল কৰি গঢ়ি তোলে। |
| ৪। পৰিদৰ্শন ব্যৱস্থাত শিক্ষকে শিক্ষাৰ্থীৰ ব্যক্তি পাৰ্থক্য অনুসৰি নিজৰ চাহিদা অনুযায়ী শিক্ষা দিয়াত ব্যৰ্থ হয়। | ৪। পৰ্যবেক্ষণৰ মূল উদ্দেশ্যই হ'ল সকলোৰে অন্তৰ্নিহিত প্ৰতিভাসমূহ নিজ গতিৰে নিৰ্দ্দিষ্ট পথেৰে আগবঢ়াই নিয়া। |
| ৫। পৰিদৰ্শনৰ ক্ষেত্ৰত শিক্ষকৰ কোনো স্বাধীনতা নাথাকে। সেয়ে শিক্ষক সকলে বহু সময়ত নিৰাপত্তাহীনতাত ভোগা দেখা যায়। | ৫। পৰ্যবেক্ষণৰ ক্ষেত্ৰত শিক্ষক সকলক সম্পূৰ্ণ মুক্ত, স্বাধীন পৰিবেশ প্ৰদান কৰা হয় আৰু নিৰাপত্তাবোধ নিশ্চিত কৰা হয়। |
| ৬। পৰিদৰ্শনত কিছুমান নিৰ্দেশনা বাহিৰৰ পৰা জাপি দিয়া হয়। | ৬। শিক্ষক আৰু পৰ্যবেক্ষণৰ মিলিত প্ৰচেষ্টাত মানৱ আৰু বস্তুগত সম্পদ সমূহৰ ব্যৱহাৰ শিক্ষাৰ উন্নতিকৰণৰ মাধ্যম হিচাপে ধৰা হয়। |
| ৭। পৰিদৰ্শন ব্যৱস্থাত শিক্ষকসকলৰ উন্নয়ণতহে বেছি গুৰুত্ব দিছিল। | ৭। পৰ্যবেক্ষণ পদ্ধতিত সমগ্ৰ শিক্ষা ব্যৱস্থাটোৰ উন্নয়নত গুৰুত্ব দিয়া হৈছিল। |
| ৮। পৰিদৰ্শকসকলে বিদ্যালয়ৰ বছৰেকীয়া আয়-ব্যয়ৰ হিচাপ শিক্ষকসকলৰ বেতন, নিৰিখ, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি অনুপস্থিতিৰ তালিকা, অনুদানৰ ব্যৱহাৰ আদি কামবোৰ পৰিদৰ্শন কৰিছিল। | ৮। বিদ্যালয়সমূহৰ শিক্ষাৰ ক্ষেত্ৰত দেখা পোৱা সমস্যাসমূহক গণতান্ত্ৰিক পদ্ধতিৰে সমাধান কৰাত বিদ্যালয় কৰ্তৃপক্ষক পৰ্যবেক্ষকে সহায় কৰে। |
| ৯। পৰিদৰ্শকে পৰিদৰ্শন কৰিলে তেওঁৰ প্ৰতি ভয় আৰু অবিশ্বাসৰ মনোভাৱ জন্ম হয়। | ৯। বৰ্তমানৰ পৰ্যবেক্ষকসকলে শিক্ষকৰ বন্ধু, দাৰ্শনিক আৰু পৰামৰ্শদাতা হিচাপে কাম কৰে। |

Scanned with CamScanner